**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 27-OCT-2025
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***

--------------------

১। নাৰী শিক্ষাৰ ক্ষেত্ৰত যুগান্তকাৰী পদক্ষেপ হিচাপে মুখ্যমন্ত্ৰীৰ নিযুত মইনা আঁচনিৰ দ্বিতীয় পৰ্যায়ৰ অধীনত আজি ছাত্ৰীসকলৰ মাজত চেক বিতৰণ।

২। জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যু সন্দৰ্ভত ন্যায়িক আয়োগৰ তদন্ত। অহা ৩ নৱেম্বৰৰ পৰা ঘটনা সন্দৰ্ভত যিকোনো তথ্য সম্বলিত শপতনামা দাখিলৰ ব্যৱস্থা।

৩। ৰাজ্যৰ বিভিন্ন প্ৰান্তত আজি ষট্ পূজা পালন। ৰাজ্যপালৰ শুভেচ্ছা।

৪। প্ৰায় তিনি দশকৰ পাছত আগৰতলা আৰু শিলচৰৰ মাজত ক াইলৈ পুনৰ বিমান সেৱা আৰম্ভ। **আৰু**

৫। মণিপুৰত নিষিদ্ধঘোষিত উগ্ৰপন্থী সংগঠনৰ ছজন সদস্যক আটক।

oooooo

নাৰী শিক্ষাৰ ক্ষেত্ৰত যুগান্তকাৰী পদক্ষেপ হিচাপে মুখ্যমন্ত্ৰীৰ নিযুত মইনা আঁচনিৰ দ্বিতীয় পৰ্যায়ৰ অধীনত আজি ছাত্ৰীসকলৰ মাজত চেক বিতৰণ কৰা হ'ব। উচ্চ শিক্ষা আহৰণৰ দিশত ৰাজ্যৰ ১০ লাখ কন্যা শিক্ষাৰ্থীৰ সুবিধাৰ্থে ৰাজ্য চৰকাৰে এই অভিলাষী পদক্ষেপ গ্ৰহণ কৰিছে। এই আঁচনিখনৰ জৰিয়তে মহাবিদ্যালয়ত ছাত্ৰীৰ নামভৰ্তিৰ সংখ্যা বৃদ্ধি, বাল্যবিবাহ তথা কৈশোৰকালৰ মাতৃত্ব প্ৰতিৰোধ, প্ৰতিগৰাকী কন্যা শিশুৰ শিক্ষা, স্বাস্থ্য আৰু সুৰক্ষা সুনিশ্চিত হৈছে। ২০২৪-২৫ বৰ্ষত এই আঁচনিৰ অধীনত এক লাখ ৬০ হাজাৰ ছাত্ৰীলৈ ১৩৩ কোটি টকা মোকলাই দিয়াৰ বিপৰীতে ২০২৫-২৬ বৰ্ষত ৩ লাখ ৫০ হাজাৰ ছাত্ৰীক নিযুত মইনা আঁচনিৰ সুবিধা প্ৰদানৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে। সৰুসজাইৰ অৰ্জুন ভোগেশ্বৰ বৰুৱা ক্ৰীড়া প্ৰকল্পত এই আঁচনিৰ চেক বিতৰণৰ কেন্দ্ৰীয় কাৰ্যসূচী অনুষ্ঠিত হ'ব। অনুষ্ঠানত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা মুখ্য অতিথি হিচাপে উপস্থিত থকাৰ লগতে শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগু, গুৱাহাটীৰ সাংসদ বিজুলী কলিতা মেধি, পূব গুৱাহাটীৰ বিধায়ক সিদ্ধাৰ্থ ভট্টাচাৰ্যকে ধৰি আন কেইবাগৰাকী বিধায়ক উপস্থিত থাকিব।

oooooo

জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যু সন্দৰ্ভত এছ আই টিৰ তদন্তৰ সমান্তৰালভাৱে ন্যায়িক আয়োগেও তদন্ত আৰম্ভ কৰাৰ বাবে সাজু হৈছে। ইতিমধ্যে ৰাজ্য চৰকাৰে গুৱাহাটী উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশ সৌমিত্ৰ শইকীয়াৰ নেতৃত্বত ন্যায়িক আয়োগ গঠন কৰিছে। ৰাজ্যত প্ৰথমবাৰলৈ উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশৰ দ্বাৰা গঠিত এই আয়োগে মূলত জুবিন গাৰ্গৰ মৃত্যুৰ ঘটনাৰ তথ্য আৰু পৰিস্থিতি সম্পৰ্কীয় চাৰিটা বিষয়ক তদন্তত সামৰি ল'ব। আয়োগে ছিংগাপুৰত ঘটনাৰ পূৰ্বৰ আৰু পৰৱৰ্তী সময়ছোৱাৰ সকলোবোৰ পৰিঘটনাৰ ক্ৰম নিৰ্ণয় কৰিব। তদুপৰি তদন্তত ৰৈ যোৱা সকলো ত্ৰুটি পৰীক্ষা কৰিব। ন্যায়িক আয়োগৰ আইনী সহযোগিতাৰ বাবে চাৰিজন অধিবক্তাক নিযুক্তি দিয়াৰ উপৰি অসম প্ৰশাসনিক সেৱাৰ বিষয়া অৰূপ পাঠকক আয়োগৰ সচিব হিচাপে নিযুক্তি দিয়া হৈছে। জুবিন গাৰ্গৰ মৃত্যু সন্দৰ্ভত কোনো ব্যক্তি বিশেষ বা অনুষ্ঠানে অভিযোগ বা তথ্য অৱগত কৰিব বিচাৰিলে ন'টাৰী কৰি প্ৰত্যায়িত শপতনামা আকাৰেহে আয়োগক জবানবন্দী দাখিল কৰিব লাগিব। অহা ৩ৰ পৰা ২১ নৱেম্বৰলৈ গুৱাহাটীৰ চানমাৰিৰ

অসম খাদী আৰু গ্ৰামোদ্যোগ পৰিষদৰ চৌহদত থকা ন্যায়াধীশ সৌমিত্ৰ শইকীয়া আয়োগৰ কাৰ্যালয়ত শপতনামা দাখিল কৰিব পাৰিব।

০০০০০০

অসম চৰকাৰৰ স্বাস্থ্য বিভাগে ৰাজ্যজুৰি আৰম্ভ কৰা শুশ্ৰুষা সেতু শীৰ্ষক স্বাস্থ্য শিবিৰ আজি ডিব্ৰুগড় জিলাৰ খোৱাং বিধানসভা সমষ্টিৰ অন্তৰ্গত কোটোহা উচ্চতৰ মাধ্যমিক বিদ্যালয়ত অনুষ্ঠিত হ'ব। মৰাণৰ বিধায়ক চক্ৰধৰ গগৈয়ে এই শিবিৰ মুকলি কৰিব। জিলা স্বাস্থ্য বিভাগে সমষ্টিটোৰ সকলো ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰী তথা অভিভাৱকক এই স্বাস্থ্য শিবিৰত অংশগ্ৰহণ কৰিবলৈ আহ্বান জনাইছে।

গোলাঘাট বিধানসভা সমষ্টিৰ অন্তৰ্গত মেৰাপানী দৈয়াং উচ্চতৰ মাধ্যমিক বিদ্যালয়ত কালি বৃহৎ স্বাস্থ্য শিবিৰ অনুষ্ঠিত হয়। এই শিবিৰত বিশেষজ্ঞ চিকিৎকৰ দ্বাৰা ১৮ বছৰৰ তলৰ প্ৰত্যেক শিশু তথা কিশোৰ-কিশোৰীৰ স্বাস্থ্য পৰীক্ষা সম্পন্ন কৰা হয়। কাজিৰঙা লোকসভা সমষ্টিৰ সাংসদ কামাখ্যা প্ৰসাদ তাছাই এই শিবিৰত অংশগ্ৰহণ কৰি ৰাজ্য চৰকাৰৰ স্বাস্থ্য বিভাগে ৰাজ্যজুৰি গ্ৰহণ কৰা এই আঁচনিখনৰ কথা ৰাইজক অৱগত কৰে আৰু ইয়াৰ সুবিধা গ্ৰহণৰ বাবে আহ্বান জনায়।

**ৰাইট (কামাখ্যা প্ৰসাদ তাছা)**

শোণিতপুৰ জিলাৰ ন-দুৱাৰ সমষ্টিৰ জামুগুৰিহাটৰ পকামূৰা পথাৰত অনুষ্ঠিত স্বাস্থ্য মেলাত কালি ৫০ গৰাকী বিশেষজ্ঞ চিকিৎসকে ১৮ বছৰ তলৰ ল'ৰা-ছোৱালীৰ স্বাস্থ্য পৰীক্ষা কৰোৱাৰ লগতে বিনামূলীয়াকৈ ঔষধ প্ৰদান কৰে। সমষ্টিটোৰ ১০ হাজাৰৰো অধিক লোকে এই মেলাত স্বাস্থ্য পৰীক্ষা কৰে। স্বাস্থ্য পৰীক্ষা কৰি জটিল ৰোগত আক্ৰান্ত বুলি নিশ্চিত হোৱাসকলক উন্নত চিকিৎসাৰ বাবে প্ৰেৰণ কৰা হৈছে।

০০০০০০

ৰাজ্যৰ বিভিন্ন প্ৰান্তত আজি ষট্ পূজা পালন কৰা হৈছে। ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই ষট্ পূজা উপলক্ষে জনসাধাৰণলৈ শুভেচ্ছা জ্ঞাপন কৰিছে। এই পূজাই বিশ্বাস, পৱিত্ৰতা, নিষ্ঠা আৰু গভীৰ সাংস্কৃতিক ঐতিহ্যৰ লগতে আধ্যাত্মিক প্ৰমূল্যক প্ৰতিফলিত কৰে বুলি ৰাজ্যপালগৰাকীয়ে মত প্ৰকাশ কৰিছে।

বিশ্বনাথ জিলাৰ বিহালী, গহপুৰ আদি অঞ্চলত ষট্ পূজা পালন কৰা হৈছে। শিলচৰত এই উৎসৱ উপলক্ষে বৰাক নদীৰ অন্নপূৰ্ণা ঘাট, ৰংপুৰ ঘাট, বৰম বাবা, এন আই টি শিলচৰৰ জলাশয়ৰ বিভিন্ন ঘাট সজাই তোলা হৈছে। কাছাৰ জিলা দুৰ্যোগ ব্যৱস্থাপনা কৰ্তৃপক্ষই সকলো ভক্ত আৰু জনসাধাৰণৰ সুৰক্ষা নিশ্চিত কৰাৰ উদ্দেশ্যে কেতবোৰ নিৰ্দেশনা জাৰি কৰিছে। হোজাই জিলাৰ লংকা লংকেশ্বৰী ষট্ ঘাটত পূজা সমিতিয়ে দুদিনীয়া কাৰ্যসূচীৰে ষট্ পূজা পালন কৰিছে।

পশ্চিম কাৰ্বি আংলং জিলাতো দুদিনীয়া কাৰ্যসূচীৰে ষট পূজা পালন কৰা হৈছে। জিলাখনৰ খেৰণী, বৈঠালাংছ' আৰু হামৰেণত বাস কৰা ভোজপুৰী সম্প্ৰদায়ৰ লোকসকলৰ লগতে বঙালী সম্প্ৰদায়ৰ লোকসকলেও এই পূজাত অংশগ্ৰহণ কৰা বুলি আমাৰ সংবাদদাতাই জনাইছে। আজি পৰম্পৰাগত ৰীতি-নীতিৰে ভক্তসকলে কপিলী নৈ, বৰপানী নৈৰ ঘাটত অস্থায়ীভাৱে সজা দেৱী ষট মাৰ বেদীত ভোগ-নৈবদ্য অৰ্পণ কৰি আশিস বিচাৰিব। এই পূজাৰ সময়ছোৱাত যাতে কোনোধৰণৰ দুৰ্ঘটনা সংঘটিত নহয় তাৰ প্ৰতি লক্ষ্য ৰাখি জিলা দুৰ্যোগ ব্যৱস্থাপনা বিভাগে যাৱতীয় প্ৰস্তুতি গ্ৰহণ কৰিছে।

ষট পূজা উপলক্ষে গুৱাহাটীৰ আৰক্ষী উপ-আয়ুক্ত কাৰ্যালয়ে আজি আৰু কাইলৈ মহানগৰীখনত যানবাহন চলাচলৰ ক্ষেত্ৰত কেতবোৰ নীতি-নিৰ্দেশনা জাৰি কৰিছে। এই অনুসৰি গুৱাহাটী মহানগৰীত এই সময়ছোৱাত সামগ্ৰী পৰিবাহী গধূৰ বাণিজ্যিক বাহন আৰু অন্য গধূৰ বাহন প্ৰৱেশত বাধা আৰোপ কৰা হৈছে। অৱশ্যে মাছখোৱা অঞ্চলত পূজাৰ সামগ্ৰী আৰু ভক্তসকলক কঢ়িয়াই নিয়া বাহনসমূহ চলাচলত অনুমতি দিয়া হ'ব।

০০০০০০

প্ৰায় তিনি দশকৰ পাছত আগৰতলা আৰু শিলচৰৰ মাজত ক ইলৈ পুনৰ বিমান সেৱা আৰম্ভ হ'ব। কালি সন্ধিয়া আগৰতলা আৰু পশ্চিমবংগৰ বাগড'গ্ৰাৰ মাজত পোনপটীয়া বিমান সেৱা আৰম্ভ হয়। ভাৰতীয় বিমানবন্দৰ প্ৰাধিকৰণৰ আগৰতলাৰ সহকাৰী মহা প্ৰবন্ধক এছ হাউকিপ জেম্পুৱে কয়, যে এয়াৰ ইণ্ডিয়া এক্সপ্ৰেছে আগতৰতলাৰ মহাৰজা বীৰ বিক্ৰম বিমানবন্দৰৰ পৰা কালি সন্ধিয়া বাগড'গ্ৰালৈ বিমান সেৱা আৰম্ভ কৰে। তেওঁ লগতে কাইলৈৰ পৰা সপ্তাহত দুবাৰকৈ মঙলবাৰ আৰু শুকুৰবাৰে আগৰতলা আৰু শিলচৰৰ মাজত বিমান চলিব বুলি প্ৰকাশ কৰে। প্ৰায় ৩০ বছৰৰ পাছত উত্তৰ-পূৰ্বাঞ্চলৰ এই চহৰ দুখনৰ মাজত ইণ্ডিগ'ৱে বিমান সেৱা আৰম্ভ কৰিব। ইয়াৰ ফলত দেশৰ ১০ খন স্থানৰ সৈতে আগৰতলাৰ পৰা পোনপটীয়া বিমান যোগাযোগ গঢ়ি উঠিব।

০০০০০০

বৈদেশিক পৰিক্ৰমা দপ্তৰৰ ৰাজ্যমন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটাৰ উপস্থিতিত ৰাজ্যৰ জলসম্পদ মন্ত্ৰী পীযুষ হাজৰিকাই কালি নাজিৰাৰ নাহৰগুৰি হাবিগাঁও খেলপথাৰত ডেঙ্গি, দৈখনা আৰু নামদাং নৈৰ খনন আঁচনিৰ শুভাৰম্ভ কৰে। ৰাজ্যিক স্ব-অগ্ৰাধিকাৰ উন্নয়ন পুঁজিৰ ৮ কোটি টকাৰে জলসম্পদ বিভাগে এই খনন কাৰ্য সম্পন্ন কৰিবলৈ লৈছে। জলসম্পদ মন্ত্ৰীগৰাকীয়ে খনন কাৰ্যৰ শুভাৰম্ভ কৰি কয়, যে এই এলেকাত কাষৰীয়া পাহাৰৰ পৰা বোকা-মাটি খহি অহাৰ ফলত নৈকেইখনত পানীৰ বহনক্ষমতা হ্ৰাস পাইছিল আৰু খেতিপথাৰত পলস পৰিছিল। সেয়েহে নৈকেইখন খনন কৰি পানীৰ চলাচল পূৰ্বৰ দৰে কৰি তোলাৰ লগতে কৃষিকাৰ্য সুচল কৰাৰ বাবে এই পদক্ষেপ লোৱা হৈছে বুলি মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। ইয়াৰ ফলত নাজিৰাৰ গেলেকী, ন-পুখুৰী, পিয়লি ফুকন আৰু ৰজাভেটা গাঁও পঞ্চায়তৰ কুৰিখনৰো অধিক গাঁৱৰ ৰাইজে সন্মুখীন হৈ অহা বানৰ সমস্যা সমাধান হ'ব বুলি মন্ত্ৰীগৰাকীয়ে আশা প্ৰকাশ কৰে। তেওঁ লগতে দিখৌ নৈৰ ৩০ কিলোমিটাৰ দৈৰ্ঘ্যৰ মথাউৰি নিৰ্মাণৰ প্ৰতিশ্ৰুতি দিয়ে।

**ৰাইট (পীযুষ হাজৰিকা)**

০০০০০০

মণিপুৰত সুৰক্ষা বাহিনীয়ে কালি বিভিন্ন জিলাৰ পৰা নিষিদ্ধঘোষিত উগ্ৰপন্থী সংগঠনৰ ছজন সদস্যক আটক কৰাৰ লগতে ভালেসংখ্যক অস্ত্ৰ-শস্ত্ৰ আৰু গুলী-বাৰুদ জব্দ কৰে। এগৰাকী আৰক্ষী বিষয়াই জনোৱা মতে কাকচিং, পশ্চিম ইম্ফল আৰু থৌবাল জিলাৰ পৰা আটক কৰা উগ্ৰপন্থীকেইজন কাংলেইপাক কমিউনিষ্ট পাৰ্টি, পিপ্‌লছ ৰিভ'লিউচনেৰী পাৰ্টি অৱ কাংলেইপাক আৰু পিপ্‌লছ লিবাৰেচন আৰ্মীৰ সদস্য। চৰকাৰী কৰ্মচাৰী, ঠিকাদাৰ আৰু অন্যান্য লোকক দাবী-ধমকি আৰু জোৰ-জুলুমকৈ চান্দা উঠোৱা আদিকে ধৰি বিভিন্ন অপৰাধমূলক কামত এই সদস্যকেইজন জড়িত বুলি আৰক্ষী বিষয়াগৰাকীয়ে প্ৰকাশ কৰে। উগ্ৰপন্থী সদস্যকেইজনৰ পৰা কেইবাখনো আধাৰকাৰ্ড, বহু আপত্তিজনক নথিপত্ৰ, এখন বাহন আৰু কেইবাটাও মোবাইল ফোন জব্দ কৰা হয়।

০০০০০০

ডিব্ৰুগড় মিলনজ্যোতি সংঘৰ সৌজন্যত অহা ১২ৰ পৰা ২২ ডিচেম্বৰলৈ অনুষ্ঠিত হ'বলগীয়া চতুৰ্দশ ডিব্ৰুগড় গ্ৰন্থমেলাত হৰিশ চন্দ্ৰ বাগ্‌চি সোঁৱৰণী প্ৰাইজমানি কুইজ প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। ডিব্ৰুগড়ৰ প্ৰথমগৰাকী অধিবক্তা তথা ইংৰাজী বিষয়ৰ শিক্ষক হৰিশ চন্দ্ৰ বাগ্‌চিৰ সোঁৱৰণত অনুষ্ঠিত হ'বলগীয়া কুইজ প্ৰতিযোগিতাখনৰ বাবে বয়সৰ কোনো সীমা নিৰ্ধাৰণ কৰা হোৱা নাই। সকলোৱে এই প্ৰতিযোগিতাখনত অংশগ্ৰহণ কৰিব পাৰিব। প্ৰতিযোগিতাৰ প্ৰথম পুৰস্কাৰ হিচাপে ৫ হাজাৰ টকা দ্বিতীয় পুৰস্কাৰ হিচাপে তিনি হাজাৰ টকা আৰু তৃতীয় পুৰস্কাৰ হিচাপে দুহেজাৰ টকা প্ৰদান কৰা হ'ব। হৰিশ চন্দ্ৰ বাগ্‌চিৰ পৰিয়াল আৰু গ্ৰন্থমেলা আয়োজক সমিতিৰ ফালৰ পৰা সকলোকে এই কুইজ প্ৰতিযোগিতাখনিত যোগদান কৰিবলৈ আহ্বান জনাইছে।

০০০০০০

ধেমাজি জিলাৰ সীমান্তৱৰ্তী জোনাই সম জিলাত কালি নৈত গা ধুবলৈ গৈ এগৰাকী মহিলা আৰু এটি শিশুৰ কৰুণ মৃত্যু হয়। জোনাই সম জিলাৰ দুই নম্বৰ তৰাজানৰ এখন নৈত ৰঞ্জু দেৱী সিংহ নামৰ মহিলাগৰাকীয়ে নিজৰ

তিনিবছৰীয়া নাতিনীক লৈ গা ধুই থকা অৱস্থাত পানীৰ চাকনৈয়াত পৰি তেওঁলোকৰ মৃত্যু হয়। স্থানীয় ৰাইজ আৰু এছ্ ডি আৰ এফ বাহিনীৰ জোৱানে দুয়োগৰাকীৰে মৃতদেহ উদ্ধাৰ কৰে।

oooooo

আজি গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰি কাকতসমূহে আছিয়ান শীৰ্ষ সন্মিলনত প্ৰধানমন্ত্ৰীৰ ভাৰ্চুৱেল সম্বোধন, জুবিন গাৰ্গৰ শেষৰখন চলচ্চিত্ৰ ৰৈ ৰৈ বিনালেৰ অগ্ৰিম টিকট বুকিং, ২০২৬ চনৰ অগপ-বিজেপিৰ মিত্ৰতা আদি বিভিন্ন বাতৰিক প্ৰথম পৃষ্ঠাত স্থান দিছে।

**দি আছাম ট্ৰিবিউন** কাকতখনে অসম, অৰুণাচল প্ৰদেশ, এন এইচ পি চি আৰু কেন্দ্ৰীয় চৰকাৰৰ মাজত হোৱা চুক্তি অনুসৰি সোৱণশিৰি নদী সমন্বিত জলাধাৰ প্ৰাধিকৰণ গঠন নকৰাকৈ দুহেজাৰ মেগাৱাট শক্তিৰ নামনি সোৱণশিৰি জলবিদ্যুৎ প্ৰকল্পৰ পৰীক্ষামূলক উৎপাদন আৰম্ভ কৰা বুলি এটা আছুতীয়া বাতৰিক প্ৰথম পৃষ্ঠাৰ মুখ্য বাতৰি ৰূপে প্ৰকাশ কৰিছে। **দৈনিক অসম** কাকতখনত অহা ৩১ অক্টোবৰত মুক্তি পাবলগীয়া জুবিন গাৰ্গৰ শেষৰখন বোলছবি 'ৰৈ ৰৈ বিনালে'ৰ অগ্ৰিম বুকিঙৰ অভিলেখ সন্দৰ্ভত এটা বাতৰি মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰা হৈছে। **দৈনিক জনমভূমি** কাকতখনে আছিয়ান সন্মিলনত প্ৰধানমন্ত্ৰীৰ ভাষণৰ ওপৰত '২১ শতিকা আমাৰ শতিকা' শীৰ্ষক এটা বাতৰি প্ৰথম পৃষ্ঠাত মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে। ২০২৬ চনৰ বিধানসভা নিৰ্বাচনত আঞ্চলিক দল অসম গণ পৰিষদৰ বিজেপিৰ সৈতে থকা মিত্ৰতাৰ ক্ষেত্ৰত '২৬-ত অগপ-বিজেপিৰ মিত্ৰতাত নিমিলা অংক' শিৰোনামেৰে এটা বাতৰিক **অসমীয়া প্ৰতিদিন** কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে। কেন্দ্ৰীয় শিক্ষা মন্ত্ৰালয়ৰ পৰিসংখ্যাৰ ওপৰত ভিত্তি কৰি **নিয়মীয়া বাৰ্তা** কাকতখনে 'এজনো শিক্ষাৰ্থী নথকা ৮ হাজাৰ স্কুলত আছে ২০ হাজাৰ শিক্ষক' শিৰোনামেৰে এটা বাতৰি প্ৰথম পৃষ্ঠাত গুৰুত্ব সহকাৰে প্ৰকাশ কৰিছে। আন্তঃগাঁথনি উন্নয়নৰ ধন ব্যয় কৰিবলৈ সমৰ্থ নোহোৱাৰ বাবে ৰাজ্য চৰকাৰক উত্তৰ-পূব উন্নয়ন মন্ত্ৰালয়ে সকিয়নি দিয়াৰ বাতৰিটো **দৈনিক অগ্ৰদূত** কাকতখনে 'উন্নয়ন পুঁজি ব্যয়ত চূড়ান্ত ব্যৰ্থ দিছপুৰ' শীৰ্ষক বাতৰিটো প্ৰথম পৃষ্ঠাৰ মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে। **অসমীয়া খবৰ** কাকতখনে কালি দেওবাৰৰ দিনটোত জুবিন ক্ষেত্ৰত অগণন মানুহৰ সমাগমক লৈ 'জনসমুদ্ৰলৈ ৰূপান্তৰিত সোণাপুৰৰ তীৰ্থ ভূমি জুবিন ক্ষেত্ৰ' শিৰোনামেৰে এটা বাতৰি প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। ১ নৱেম্বৰৰ পৰা অসমতো নিৰ্বাচন আয়োগৰ ভোটদাতাৰ তালিকাৰ বিশেষ বিস্তৃত পুনৰীক্ষণ আৰম্ভ হ'ব। এই বাতৰিটো **আমাৰ অসম** কাকতখনে প্ৰথম পৃষ্ঠাত বক্স বাতৰি হিচাপে প্ৰকাশ কৰিছে। **দা ছেণ্টিনেল** কাকতখনে মুখ্যমন্ত্ৰীয়ে জুবিন ক্ষেত্ৰক তীৰ্থ ভূমিলৈ ৰূপান্তৰ কৰিব বিচৰা বাতৰিটোক প্ৰথম পৃষ্ঠাত স্থান দিছে।

এতিয়া আহক পুনৰ বাতৰিৰ মাজলৈ ঘূৰি যাওঁ।

oooooo

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বতৰ পুৱাৰ ভাগত কুঁৱলী আৰু পৰৱৰ্তী সময়ত ডাৱৰীয়া হোৱাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ৩২ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন ২২ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

oooooo

সমাপ্ত